Library 10/01/2024
evening
10.01.2024 (E)

Maitreyi College ★ Chanakya Puri, New Delhi-110021
LIBRARY

[This question paper contains 2 printed pages.]

Your Roll No...............

**Sr. No. of Question Paper : 2000** **G**

Unique Paper Code : 2081001001

Name of the Paper : TRANSLATION AND INTERPRETATION IN ASSAMESE

Name of the Course : **AEC**

Semester : I

Duration : 2 Hours Maximum Marks : 60

**Instructions for Candidates**

1. Write your Roll No. on the top immediately on receipt of this question paper.

2. Attempt **all** question.

munotes.in

1. তলৰ যিকোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা: 2X5=10
   (a) অসমীয়া ভাষালৈ সৰ্বপ্ৰথম কোনে ৰামায়ণৰ অনুবাদ কৰিছিল?
   (b) যন্ত্ৰানুবাদৰ এটা উদাহৰণ দিয়া।
   (c) 'তৰজুমা' কোন ভাষাৰ শব্দ?
   (d) অনুবাদ কাৰ্য্যত সততে মনত ৰাখিবলগীয়া কথা দুটা কি কি?
   (e) কোনবোৰ পাঠৰ সৰহকৈ অনুবাদ হোৱাৰ সম্ভাৱনা থাকে?
   (f) 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন' ফকৰা-যোজনাটো ইংৰাজীলৈ কিদৰে অনুবাদ কৰিব পৰা যাব?

2. তলৰ যিকোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা: 5X4=20
   (a) অনুবাদ কাৰ্য্যত মূল পাঠ পঠনৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰা।
   (b) অনুবাদ কাৰ্য্যত দেখা দিব পৰা সমস্যাসমূহৰ বিষয়ে এটা নিবন্ধ লিখা।
   (c) অনুবাদৰ বিভিন্ন ক্ষেত্ৰসমূহৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।
   (d) অনুবাদৰ উদ্দেশ্যৰ বিষয়ে এটি টোকা লিখা।
   (e) অনুবাদ কাৰ্য্যত সম-উচ্চাৰণৰ শব্দই কিদৰে প্ৰভাৱ পেলাব পাৰে উদাহৰণসহ আলোচনা কৰা।

*P.T.O.*

3. তলৰ কথাখিনি অসমীয়া ভাষালৈ অনুবাদ কৰা। 15

No one can be mentally stable and strong if he or she is physically weak. Perhaps, this is a reason why all schools compulsorily include physical education among their academic and educational curriculum. As a part of our day-to-day lives, sports and games can help develop a fertile brain and ensure overall immunity and health. Many parents always encourage their children to actively participate in games and sports.

One might have noticed that players aren't afraid of losing the game, they just play. Sports teaches us that rejections, as well as defeats, are part of life. Also, one should not get carried away by the wins. It helps in the development of intuition. While the players must always guess the move of the opponent, the intuitive skills help us there. Sport teaches us to be emotionally intelligent.

Playing sports comes with its own rules and regulations. It comes with ethics. Sports teaches us many life skills such as teamwork and honesty. These kinds of skills are important in life as well. Sports will help one grow mentally and stay more humble and conduct themselves in a good way in society.

4. তলৰ কথাখিনি ইংৰাজী ভাষালৈ অনুবাদ কৰা। 15

যোগ হৈছে এনে এক পদ্ধতি, যি পদ্ধতিৰ দ্বাৰা মানৱ শৰীৰৰ আভ্যন্তৰীণ ক্ষমতাসমূহৰ বিকাশ ঘটাব পৰা যায়। যোগৰ দ্বাৰা আত্মোপলব্ধি অৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰি। এক কথাত ক'বলৈ গ'লে যোগ দৈহিক, মানসিক আৰু আধ্যাত্মিক দিশক সাঙুৰি লোৱা ভাৰতীয় পৰম্পৰাগত ৰীতি। যোগ শব্দটো সংস্কৃত শব্দ 'যুজ'ৰপৰা উৎপত্তি হৈছে। যোগে মন পবিত্ৰ কৰে আৰু মস্তিষ্ক সন্তুলিত কৰে। যোগ ব্যায়ামে মানৱ শৰীৰৰ বিভিন্ন প্ৰকাৰে উৎকৰ্ষ সাধন কৰে, মনোবল বৃদ্ধি কৰে। আমকি হতাশগ্ৰস্থ হ'লেও যোগে তাৰ নিৰাময় কৰিবলৈ সক্ষম হয়। প্ৰাচীন কালত ঋষি-মুণিসকলে যোগ কৰাৰ ফলত দীৰ্ঘ জীৱন লাভ কৰাৰ লগতে বিভিন্ন ৰোগৰপৰা পৰিত্ৰাণ পাবলৈ সক্ষম হৈছিল। যিসকলে সম্পূৰ্ণ আত্মবিশ্বাসেৰে, একাগ্ৰতাৰে যোগ অনুশীলন কৰি উচ্চস্তৰৰ দৰ্শন লাভ কৰিব পাৰে সেইসকলকেই যোগী বুলি কোৱা হয়। ২১ জুন তাৰিখটোক আন্তৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰা হয়।

munotes.in